**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-07-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ সাহসী সৈনিকসকলক স্মৰণ কৰে। শ্ৰীমোদীয়ে কয়, যে এই দিনটোৱে সকলোৰে মন গৌৰৱৰ ভাৱনাৰে ভৰাই তোলে আৰু জনসাধাৰণক দেশৰ বীৰ সৈনিকৰ অসীম সাহসৰ বিষয়ে সোঁৱৰাই দিয়ে। ছহিদসকলৰ প্ৰতি প্ৰণিপাত জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁলোকে দেশমাতৃৰ বাবে সৰ্বোচ্চ ত্যাগ কৰি গৈছে।

শ্ৰীমোদীয়ে ছায়েন্স অলিম্পিয়াডৰ কথা প্ৰকাশ কৰি কয় যে এই অলিম্পিয়াডত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

বাইট (পি এম)

ooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ অধীনৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে উচ্চ ক্ষমতাসম্পন্ন কাৰ্যবাহিনী গঠন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। প্ৰযুক্তি বিশেষজ্ঞ নন্দন নীলেকানীৰ নেতৃত্বত এই কাৰ্যবাহিনীয়ে পৰীক্ষা ব্যৱস্থা স্বচ্ছ, সুৰক্ষিত আৰু প্ৰযুক্তিভিত্তিক কৰিবলৈ কাৰ্যপন্থা হাতত ল'ব। এই গোটত আছে  ইছৰোৰ প্ৰাক্তন অধ্যক্ষ এছ সোমনাথ, আই বিৰ প্ৰাক্তন সঞ্চালক তপন ডেকা, আই আই টি চেন্নাইৰ সঞ্চালক ভি কামাকটি, প্ৰাক্তন শিক্ষা সচিব অনিতা কাড়ৱাল আৰু লজিষ্টিক বিশেষজ্ঞ অমৃত লাল মীনা।

ooooo

ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ ৫ শতাধিক গাওঁ এতিয়াও বানৰ কবলত আছে। ৰাজ্যৰ ১০ খন জিলাৰ সৰ্বমুঠ ৮১০ খন গাঁও বানত বুৰ গৈ আছে। এইবাৰৰ বানত ৬ লাখ ৫৪ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ৩ জন আৰু চৰাইদেউত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬৬ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৩৪ হাজাৰ ৯৭০ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে।

শিৱসাগৰ জিলাত বানপানীয়ে সৃষ্টি কৰা পৰিস্থিতি সন্দৰ্ভত জিলা আয়ুক্ত মৃদুল যাদৱে কয় যে বিগত ৫০ বছৰৰ ভিতৰত এয়া সবাতোকৈ ভয়াবহ। জিলাখনৰ তিনিটা ৰাজহ চক্ৰৰ ৩০১খন গাঁৱৰ প্ৰায় ৪ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ ভিতৰত নাজিৰা আৰু শিৱসাগৰ সমষ্টিত সৰ্বাধিক বান প্ৰভাৱিত অঞ্চল আছে বুলি জিলা

আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। জিলাখনত বানৰ ফলত ৩০জন লোকৰ মৃত্যু হৈছে আৰু এতিয়াও সাতজন লোক সন্ধানহীন হৈ আছে। এছ ডি আৰ এফ, এন ডি আৰ এফৰ ৬০খন নাও আৰু ৬২খন থলুৱা নাৱৰ সহায়ত ২০ হাজাৰৰো অধিক লোকক সুৰক্ষিত স্থানলৈ নিয়া হৈছে। বানাক্ৰান্তসকলৰ বাবে জিলাখনত ৫০ৰো অধিক সাহায্য শিবিৰ আৰু সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

উজনি অসমৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহলৈ নগাঁও জিলা প্ৰশাসনে সহায়ৰ হাত আগবঢ়াইছে। এই উদ্দেশ্যে প্ৰয়োজনীয় খাদ্যসামগ্ৰীৰ এহেজাৰ ৩৪০টা টোপোলা শিৱসাগৰ জিলালৈ প্ৰেৰণ কৰা হৈছে।

ooooo

শ্ৰীভূমি জিলাৰ ৰামকৃষ্ণ নগৰ মণ্ডল বিজেপিৰ কাৰ্যালয়ত আজি এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। সভাত সংগঠনটোক অধিক শক্তিশালী আৰু গতিশীল কৰি তোলাৰ বাবে আলোচনা কৰা হয়। লগতে সাংগঠনিক কাম-কাজসমূহ সফলভাৱে ৰূপায়নৰ উদ্দেশ্যে সকলো স্তৰৰ কৰ্মকৰ্তাক ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনোৱা হয়। ৰামকৃষ্ণ নগৰ মণ্ডল বিজেপিৰ সভাপতি প্ৰীতম পালে সভাপতিত্ব কৰা সভাখনত শ্ৰীভূমি জিলা বিজেপিৰ সভাপতি সঞ্জীৱ বনিকৰ লগতে জিলা বিজেপিৰ উপ-সভাপতি, ৰামকৃষ্ণ নগৰ পৌৰসভাৰ পৌৰনেত্ৰী প্ৰতিমা নাথ আৰু দলৰ আন নেত্ৰীবৃন্দও উপস্থিত থাকে।

ooooo

ডিব্ৰুগড় জিলা নাহৰকটীয়া বিধান সভা সমষ্টিৰ স্থানীয় বিধায়ক তৰংগ গগৈয়ে আজি সমষ্টিটোৰ অন্তৰ্গত নামৰূপ সাৰ কাৰখানাৰ নতুন প্ৰকল্প সম্প্ৰসাৰণৰ ক্ষেত্ৰত সাৰ কাৰখানা এলেকাধীন আবাসিক কোৱাটাৰসমূহ খালি কৰাৰ জাননী লাভ কৰা ৰাইজৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাত ৰাইজে উত্থাপন কৰা বিভিন্ন দিশ সম্পৰ্কে গঠনমূলক মত-বিনিময়ৰ লগতে ৰাইজৰ ন্যায্য স্বাৰ্থ সুৰক্ষিত ৰাখি সকলো পক্ষৰ মাজত সমন্বয় স্থাপন কৰি সমস্যাসমূহৰ শান্তিপূৰ্ণ সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি বিধায়কগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

গ্লাছগ'ত চলি থকা কমনৱেল্থ গেমছত ভাৰতৰ হৈ মীৰাবাঈ চানুৱে প্ৰথমটো সোণৰ পদক অৰ্জন কৰিছে। ভাৰোত্তোলনত একেৰাহে তৃতীয় বাৰৰ বাবে মীৰাবাঈ চানুৱে এই পদক অৰ্জন কৰে।

ooooo

হাৰাৰেত অনুষ্ঠিত ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতে জিম্বাব'ৱেক ৩৫ ৰাণত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেটিং কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ ১৯২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে সৰ্বাধিক ৮১ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰত্যুত্তৰত জিম্বাব'ৱেই নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫৭ ৰান কৰে। ভাৰতৰ মায়ংক যাদৱে তিনিটা আৰু য়শ ঠাকুৰে ২টা উইকেট দখল কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ